অসম

বেজৰ নাকতে খৰ! শিৱসাগৰত নথিৰ ম্যাদ উকলা আৰক্ষী-দণ্ডাধীশৰ বাহন; সদৰ থানাত অধিবক্তাৰ গোচৰ

শিৱসাগৰ সদৰ আৰক্ষী থানাত আৰক্ষী আৰু কার্যবাহী দণ্ডাধীশে ব্যৱহাৰ কৰা চাৰিখন বাহনৰ নথিপত্রৰ বৈধতা উকলি যোৱাৰ অভিযোগ দাখিল কৰিছে অধিবক্তা অচ্যুত শর্মাই।

প্রকাশ: ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৩



Lawyer files complaint over expired documents of Sivasagar official vehicles (Mustak Ahmed)

শিৱসাগৰ, ২০ নৱেম্বৰ: ম্যাদ উকলা নথিপত্রেৰে আৰক্ষী আৰু কার্যবাহী দণ্ডাধীশে ব্যৱহাৰ কৰা চাৰিখন চৰকাৰী বাহন চলি থকাৰ অভিযোগ উত্থাপন হৈছে। এই সন্দর্ভত শিৱসাগৰ বাৰ এছ'চিয়েচনৰ অধিবক্তা অচ্যুত শর্মাই শিৱসাগৰ সদৰ আৰক্ষী থানাত লিখিত অভিযোগ দাখিল কৰিছে। এএছ০৪এজে০২৭৮ নম্বৰৰ আৰক্ষীৰ মহিন্দ্রা বলেৰ' বাহনখনৰ প্রদূষণ নিয়ন্ত্রণৰ প্রমাণপত্রৰ ম্যাদ ২০২৬ চনৰ ১৯ জুনত উকলি যোৱা বুলি উল্লেখ কৰা হৈছে অভিযোগনামাত। বাহনখনত নিয়ম উলংঘা কৰি বাম্পাৰ গার্ড সংলগ্ন কৰা বুলিও অভিযোগ কৰা হৈছে।

এএছ০৩বিচি৮৯৪৪ নম্বৰৰ আৰক্ষীৰ ফর্চ ট্রেভেলাৰ বাহনখনৰ পার্মিটৰ ম্যাদ ২০২৫ চনৰ ২৫ আগষ্টত, ফিটনেছৰ ম্যাদ ২০২৬ চনৰ ২৬ মার্চত আৰু কৰ পৰিশোধৰ বৈধতা ২০২৬ চনৰ ৩০ জুনত উকলি যোৱা বুলি অভিযোগত উল্লেখ কৰা হৈছে। বাহনখনত অনুমোদনবিহীন অতিৰিক্ত লাইট সংলগ্ন কৰাৰ অভিযোগো আছে।

এএছ০৪এজি০২৬৬ নম্বৰৰ আন এখন আৰক্ষীৰ মহিন্দ্রা বলেৰ' বাহনখনৰ প্রদূষণ নিয়ন্ত্রণৰ প্রমাণপত্রৰ ম্যাদ

২০২৪ চনৰ ২৪ ডিচেম্বৰত উকলি যোৱা বুলি অভিযোগত উল্লেখ কৰা হৈছে। ইপিনে, কার্যবাহী দণ্ডাধীশে ব্যৱহাৰ কৰা এএছ০৪এএল৭৫০২ নম্বৰৰ মহিন্দ্রা বলেৰ’ বাহনখনৰ বীমাৰ ম্যাদ ২০২৩ চনৰ ৫ মে’ত উকলি যোৱা বুলি অভিযোগপত্রত কোৱা হৈছে।

অচ্যুত শর্মাই জনোৱা মতে, এম-পৰিবহণ এপৰ জৰিয়তে বাহনকেইখনৰ নথিপত্র পৰীক্ষা কৰোঁতে এই তথ্য লাভ কৰিছে। শিৱসাগৰত আৰক্ষী আৰু প্রশাসনে ব্যৱহাৰ কৰা ২০খনতকৈ অধিক বাহনৰ নথিপত্রৰ বৈধতা সন্দর্ভত তেওঁ পূর্বেও অভিযোগ দাখিল কৰিছিল যদিও সংশ্লিষ্ট কর্তৃপক্ষৰ পৰা ইতিবাচক সঁহাৰি পোৱা নাই বুলি তেওঁ অভিযোগ কৰে।

> যান-বাহন আইন সকলোৰে বাবে সমান হ’ব লাগে। সাধাৰণ নাগৰিকৰ বাহনৰ নথিপত্রৰ ম্যাদ উকলিলে যদি জৰিমনা বিহা হয়, তেন্তে চৰকাৰী বাহনৰ ক্ষেত্রতো একেই আইন প্রযোজ্য হোৱা উচিত বুলি অচ্যুত শর্মাই কয়।

ইয়াৰ পূর্বেও তেওঁ জিলা পৰিবহণ বিষয়াৰ ওচৰত এই সন্দর্ভত লিখিত অভিযোগ দাখিল কৰিছিল বুলি জানিবলৈ দিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4671/sisag-mzad-ukla-ckaee-bahn-nthipt-ovizog